**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-07-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ট্ৰিনিদাদ আৰু টবেগ'ক প্ৰথমখন কেৰিবিনিয়ান ৰাষ্ট্ৰ হিচাপে ইউ পি আই গ্ৰহণ কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

২। কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কৈছে যে একোটা বিভাগৰ অন্তৰ্গত গোটসমূহে পৃথকে কাম কৰিলে বৰ্তমানৰ গতিশীল চৰকাৰখনৰ শাসন ব্যৱস্থাৰ বাবে হেঙাৰস্বৰূপ হৈ পৰে।

৩। কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে জনাইছে, যে ২০২৬ বৰ্ষৰ হজ যাত্ৰাৰ বাবে আবেদনসমূহ চৰকাৰে অহা সপ্তাহৰ পৰা গ্ৰহণ কৰাৰ ব্যৱস্থা কৰিছে।

৪। অবৈধ অস্ত্ৰ জমা কৰাসকলক দমনৰ বাবে মণিপুৰ আৰক্ষী আৰু অন্যান্য নিৰাপত্তা সংস্থাৰ এটা দলে মণিপুৰৰ পাহাৰীয়া জিলাসমূহত ব্যাপক তালাচী অভিযান চলায়।

*আৰু*

৫। এজবেষ্টনত আজি ভাৰত আৰু ইংলেণ্ডৰ চলিত টেষ্ট শৃংখলাৰ দ্বিতীয় টেষ্টৰ তৃতীয় দিনা ইলেণ্ডে প্ৰথম ইনিংছত সন্তোষজনক স্থিতিত উপনীত হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কালি ত্ৰিনিদাদ আৰু ট'বেগ'ত প্ৰদান কৰা নিজৰ ভাষণ সমগ্ৰ বিশ্বৰ প্ৰায় ৩.৫ কোটি প্ৰবাসী ভাৰতীয়লৈ উৎসৰ্গা কৰে। ভাষণত শ্ৰী মোডীয়ে ট্ৰিনিদাদ আৰু ট'বেগক প্ৰথমখন কেৰিবিয়ান ৰাষ্ট্ৰ হিচাপে ইউ পি আই গ্ৰহণ কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। ইউ পি আইৰ ক্ষেত্ৰত এনে সহযোগিতাৰ দ্বাৰা ভাৰতে ৰাজহুৱা ডিজিটেল সামগ্ৰী ৰপ্তানি কৰি বিশ্বাসযোগ্যতা লাভ কৰাৰ লগতে ঘৰুৱা বিত্তপ্ৰযুক্তি উদ্ভাৱন আৰু বিত্তীয় অন্তৰ্ভুক্তিৰ ধাৰণাক প্ৰসাৰিত কৰাৰ বাবে সক্ষম হৈছে। এই অংশীদাৰিত্বই ভাৰতক বিশ্বব্যাপী ইউ পি আই সম্প্ৰসাৰণত সহায় কৰিব। অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে ট্ৰিনিডাদ আৰু ট'বেগ'ত থকা ভাৰতীয় মূলৰ লোকসকলে এতিয়াৰেপৰা OCI কাৰ্ড লাভ কৰিবলৈ সমৰ্থ হ'ব বুলি ঘোষণা কৰে। এই কাৰ্ডৰ জৰিয়তে এইসকল লোকে ভাৰতত কোনো ধৰণৰ বাধ্য বাধকতা অবিহনে বসবাস কৰাৰ লগতে কাম কৰাৰ স্বাধীনতাও লাভ কৰিব। OCI কাৰ্ডৰ সম্প্ৰসাৰণে কেৱল সাংস্কৃতিক সম্পৰ্ক শক্তিশালী কৰাই নহয়, প্ৰবাসী ভাৰতীয় যুৱক যুৱতীসকলে ভাৰতলৈ আহি ষ্টাৰ্ট আপ তথা ভাৰতীয় কোম্পানীসমূহত বিনিয়োগ কৰি অংশীদাৰিত্ব কৰিব পাৰিব। ইয়াৰ দ্বাৰা ষ্টাৰ্ট আপ সংস্কৃতিৰ ভেটি শক্তিশালী হোৱাৰ লগতে দেশ দুখনৰ মাজত বিত্তীয় লেনদেনৰ প্ৰবাহ বৃদ্ধি পাব।

উল্লেখযোগ্য যে পাঁচ-দেশীয় ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত শ্ৰীমোদীয়ে যোৱা নিশা ট্ৰিনিদাদ আৰু টবেগ'ত উপস্থিত হয়। শ্ৰীমোদীক পোৰ্ট অব স্পেইন বিমান বন্দৰত দেশখনৰ প্ৰধানমন্ত্ৰী কমলা প্ৰসাদ বিছেছৰ আৰু তেওঁৰ মন্ত্ৰীসভাৰ সদস্য তথা আন ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে আদৰণি জনায়।

প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কয়, যে ভাৰতৰ পৰা ভালেসংখ্যক লোক কেইবাবছৰ আগতে ত্ৰিনিদাদ আৰু টবেগ'লৈ আহিছিল। সময়ৰ সোঁতত তেওঁলোকে বিভিন্ন ক্ষেত্ৰত নিজকে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে আৰু দেশখনৰ উন্নয়নৰ যাত্ৰাত বৰঙণি আগবঢ়াইছে। শ্ৰী মোদীয়ে পৰ্ট অব্ স্পেইনত তেওঁক জনোৱা আদৰণিৰ বাবে দেশখনত বাস কৰা প্ৰবাসী ভাৰতীয়সকলক কৃতজ্ঞতা জ্ঞাপন কৰে।

ooooooooo

কৰ্মচাৰী, ৰাজহুৱা অভিযোগ আৰু পেন্সন দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কৈছে যে একোটা বিভাগৰ অন্তৰ্গত গোটসমূহে যদিহে পৃথকে পৃথকে কাম কৰে তেন্তে বৰ্তমানৰ গতিশীল চৰকাৰখনৰ শাসন ব্যৱস্থাত ই হেঙাৰস্বৰূপ হৈ পৰে। নতুন দিল্লীত  আজি সামৰিক বাহিনী আৰু অসামৰিক সেৱা বিভাগৰ বিষয়াসকলৰ সৈতে হোৱা কথা-বতৰাত তেওঁ অপাৰেচন সিন্দুৰ অভিযানৰ বিষয়ে উল্লেখ কৰি কয়, যে এই অভিযানে দেশৰ সামৰিক প্ৰযুক্তিবিদ্যাৰ বিকাশৰ দ্বাৰা সামৰিক বাহিনী আৰু অসামৰিক ব্যৱস্থাপনাক একত্ৰিত কৰাত উল্লেখযোগ্য অৰিহনা যোগাইছে। এইসমূহে কৰ্মচাৰীসকলৰ কৰ্মস্পৃহা তথা আত্মনিৰ্ভৰশীলতাৰ ক্ষমতাকে প্ৰতিফলিত কৰিছে। ড০ সিঙে কয়, যে বৰ্তমানৰ ভাৰতবৰ্ষই কেৱল বিকাশ তথা পৰিবেশনৰ দিশতেই আগবাঢ়ি যোৱা নাই, ইয়াৰ লগতে বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈ সফল হ'বলৈও সক্ষম হৈছে। তেওঁ লগতে কয়, যে বৰ্তমানৰ শাসন ব্যৱস্থাৰ নক্সাই উদ্ভাৱনীমূলক চিন্তাধাৰাৰে নানান চাপৰ মাজেৰেও শক্তিশালী ৰূপত আগবাঢ়ি যাবলৈ সক্ষম হৈছে।

ooooooooo

কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে জনাইছে, যে ২০২৬ বৰ্ষৰ হজ যাত্ৰাৰ বাবে কৰিবলগীয়া আবেদনসমূহ চৰকাৰে অহা সপ্তাহৰ পৰা গ্ৰহণ কৰাৰ ব্যৱস্থা কৰিছে। নতুন দিল্লীত অনুষ্ঠিত হজ পৰ্যালোচনাৰ এখন সভাত উপস্থিত থকাৰ পাছতে মন্ত্ৰীজনে এখন সংবাদ মেল সম্বোধন কৰি আবেদনকাৰীসকলক নিৰ্দিষ্ট সময়ৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসমূহ জমা দিবলৈ অনুৰোধ জনায়। তেওঁ লগতে আবেদনকাৰীসকলৰ পৰা জমা হোৱা ধনৰাশি নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত চৌদি আৰৱ চৰকাৰৰ ওচৰত জমা দিবলৈ নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে ৬৫ বছৰৰ ওপৰৰ তীৰ্থযাত্ৰীসকলৰ লগত একোজনকৈ সহযাত্ৰীয়ে তেওঁক লগ দিয়াটো বাধ্যতামূলক কৰি দিছে। তেওঁ মহিলা আৰু পুৰুষ তীৰ্থযাত্ৰীসকলৰ থকাৰ বাবে সুকীয়া ব্যৱস্থা কৰাৰ বাবে কৰা অনুৰোধৰ ওপৰত চিন্তা-চৰ্চা কৰি থকা বুলিও জানিবলৈ দিয়ে। মন্ত্ৰী ৰিজিজুৱে কয়, যে দেশৰ হজ যাত্ৰাৰ ইতিহাসত ২০২৫ বৰ্ষৰ এই চৰকাৰে পৰিচালনা কৰা হজৰ যাত্ৰা আছিল সৰ্বোত্তম। যোৱা বছৰৰ ২২০জন ব্যক্তিৰ মৃত্যুৰ বিপৰীতে এই বছৰৰ হজযাত্ৰাত হোৱা হজযাত্ৰীৰ মৃত্যুৰ হাৰ ৬৪জনলৈ হ্ৰাস পাইছে। মন্ত্ৰী ৰিজিজুৱে ২০২৫ বৰ্ষৰ এই সফলতাৰ আঁৰত সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়, অসামৰিক বিমান পৰিবহন আৰু স্বাস্থ্য মন্ত্ৰালয়ৰ বিষয়াসকলে আগবঢ়োৱা প্ৰচেষ্টাৰো শলাগ লয়।

ooooooooo

অবৈধ অস্ত্ৰ জমা কৰাসকলক দমনৰ বাবে মণিপুৰ আৰক্ষী আৰু অন্যান্য নিৰাপত্তা সংস্থাৰ এটা দলে কালি মাজনিশাৰ পৰা আজি পুৱালৈকে মণিপুৰৰ পাহাৰীয়া জিলাসমূহত ব্যাপক তালাচী অভিযান চলায়। মণিপুৰৰ আৰক্ষী সঞ্চালক প্ৰধানে জাৰি কৰা এক প্ৰেছ বিজ্ঞপ্তি অনুসৰি এই অভিযানৰ সময়ত

উদ্ধাৰকাৰী দলটোৱে গোলাবাৰুদ, বিস্ফোৰক আদিৰে প্ৰায় ২০৩টা অবৈধ অস্ত্ৰ উদ্ধাৰ কৰে। প্ৰেছ বিজ্ঞপ্তিত প্ৰকাশ কৰা অনুসৰি জ্যেষ্ঠ আৰক্ষী বিষয়াসকলে সকলো নিৰাপত্তা সংস্থাৰ সৈতে সহযোগিতা ৰক্ষা কৰি মণিপুৰৰ পাহাৰীয়া জিলাসমূহত স্বাভাৱিক অৱস্থা পুনৰ ঘূৰাই আনি জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

ooooooooo

কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে আজি ঝাৰখণ্ডৰ ৰাঁচীৰ সাৱিত্ৰীবাই ফুলে ৰাষ্ট্ৰীয় মহিলা আৰু শিশু বিকাশ প্ৰতিষ্ঠানৰ ষষ্ঠ তথা নতুন আঞ্চলিক কেন্দ্ৰটো মুকলি কৰে। মহিলা আৰু শিশু বিকাশ ৰাজ্যমন্ত্ৰী সাৱিত্ৰী ঠাকুৰ, সামৰিক ৰাজ্যমন্ত্ৰী তথা ৰাঁছীৰ সাংসদ সঞ্জয় শেঠ, হাথিয়া বিধানসভাৰ বিধায়ক নবীন জয়ছৱালো এই অনুষ্ঠানত উপস্থিত থাকে। ৰাইজক উদ্দেশ্যি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে মহিলা আৰু শিশু বিকাশ মন্ত্ৰীলয়ে উদ্বোধন কৰা নতুন এই আঞ্চলিক কেন্দ্ৰটোৱে ক্ষমতা বিকাশৰ প্ৰয়াস আৰু সেৱা প্ৰদানৰ ব্যৱস্থাত দেশৰ পূৰ্বাঞ্চলত বিকেন্দ্ৰিকৃত কৰাত সহায় কৰিব। এই কেন্দ্ৰই মহিলা আৰু শিশু বিকাশ বৃদ্ধিত অৰিহনা যোগোৱাৰ লগতে বিকশিত ভাৰত ২০৪৭ৰ উদ্দেশ্যক পূৰ্ণতা প্ৰদানতো সহায় কৰিব। ঝাৰখণ্ড, বিহাৰ, ওড়িশা আৰু পশ্চিম বংগৰ বৈচিত্ৰ্যময় সংস্কৃতিক সামৰি এই কেন্দ্ৰই মিছন শক্তি, মিছন সমৰ্থ, মিছন বাৎসল্য, মিছন সক্ষম অংগনবাড়ী, নব্য আৰু পোষণৰ দ্বিতীয় সংস্কৰণৰ আঁচনিসমূহৰ সৈতে জড়িত প্ৰশিক্ষণ আৰু গৱেষণাৰ প্ৰয়োজন পূৰণ কৰাতো সমৰ্থবান হ'ব। অন্নপূৰ্ণা দেৱীয়ে লগতে এই কেন্দ্ৰই শিশু নিৰ্দেশনাৰ লগতে আগশাৰীৰ কৰ্মীসকল তথা বিষয়াসকলক বৃত্তিমূলক প্ৰশিক্ষণ দিয়াত সহায় কৰিব বুলি জানিবলৈ দিয়ে। তেওঁ লগতে উল্লেখ কৰে যে ঝাৰখণ্ডত মহিলাৰ বাবে সাতটা হোষ্টেল নিৰ্মাণ কৰা হ'ব আৰু তাৰ ভিতৰত বিশেষভাৱে দুটা ৰাঁছীত নিৰ্মাণ কৰা হ'ব। এই কেন্দ্ৰটোৱে তৃণমূল পৰ্যায়ত কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহ ৰূপায়ণ কৰাত যথেষ্ট সহায় কৰিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে চৰকাৰে শিশু আৰু মাতৃৰ মৃত্যুৰ হাৰ কমোৱাৰ লগতে পোষণ আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ সফল ৰূপায়ণৰ বিষয়েও উল্লেখ কৰে।

ooooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুজৰাট, হিমাচল প্ৰদেশ, ৰাজস্থান, উত্তৰাখণ্ড আৰু ছত্তিশগড়ৰ মুখ্যমন্ত্ৰীসকলক লগ ধৰি দেশৰ বিভিন্ন প্ৰান্তত হোৱা ধাৰাসাৰ বৃষ্টিপাতৰ বিষয়ে আলোচনা কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে শ্ৰীশ্বাহে কয়, যে এই ৰাজ্যসমূহৰ লোকসকলক সহায় কৰিব পৰাকৈ পৰ্যাপ্ত সংখ্যক ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বাহিনী নিয়োগ কৰা হৈছে আৰু প্ৰয়োজনত আৰু অধিক নিয়োগ বাহিনী নিয়োজিত কৰিব পৰাকৈ মজুত ৰখা হৈছে। তেওঁ এই ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলক কেন্দ্ৰৰ পৰা সকলো ধৰণৰ প্ৰয়োজনীয় সহায় আগবঢ়োৱা হ'ব বুলি আশ্বাস প্ৰদান কৰে।

ooooooooo

Resident welfare association ৰ সহযোগত পৰহিলৈ সমগ্ৰ দেশৰ ছহেজাৰ স্থানত ফিট ইণ্ডিয়া ছাণ্ডেজ অন চাইকেল কাৰ্যসূচীৰ ৩০ সংখ্যক সংস্কৰণ আয়োজন কৰা হ'ব। এদিনীয়া এই অনুষ্ঠানত দেশজুৰি ৫০ হাজাৰৰো অধিক ব্যক্তিয়ে প্ৰদূষণ আৰু মেদবহুলতামুক্ত ভাৰত গঢ়াৰ দিশত সুস্বাস্থ্যৰ বাবে চাইকেল চলাব। নতুন দিল্লীৰ মেজৰ ধ্যান চান্দ নেচনেল ষ্টেডিয়ামৰ পৰা মূল অনুষ্ঠানটোৰ ফ্লেগ অফ কৰা হ'ব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মান্দাভিয়াই কয়,যে ফিট ইণ্ডিয়া চাইকেল অন ছাণ্ডেজ

ক্ৰমান্বয়ে গণ আন্দোলনত পৰিগণিত হৈছে। মন্ত্ৰীগৰাকীয়ে সকলো নাগৰিক আৰু সম্প্ৰদায়ক এই কাৰ্যসূচীত অংশ লোৱাৰ লগতে বিভিন্ন ৰোগৰ পৰা হাত সাৰিবলৈ চাইকেল চলোৱা আৰু যোগাসনৰ লগত জড়িত হ'বলৈ আহ্বান জনায়।

ooooooooo

ভাৰত আৰু ইংলেণ্ডৰ মাজত এজবেষ্টনত চলি থকা দ্বিতীয় টেষ্টমেচৰ আজি তৃতীয় দিনা ভাৰতৰ প্ৰথম ইনিংছৰ ৫৮৭ ৰানৰ প্ৰত্যুত্তৰত ইংলেণ্ডে বাতৰি যুগুতোৱাৰ পৰলৈতে ৫ উইকেটৰ বিনিময়ত ৩০১ ৰান সংগ্ৰহ কৰিছে। কালি ৩ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৭৭ ৰানৰ পৰা ইংলেণ্ডে প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ কৰি সোনকালে জো ৰুট আৰু অধিনায়ক বেন ষ্টকছৰ উইকেট হেৰুৱায়। ইয়াৰ পাছত জেমি স্মিথ আৰু হেৰী ব্ৰুকে সুন্দৰ খেল প্ৰদৰ্শন কৰি দলটোক অধিক বিপদৰ পৰা ৰক্ষা কৰে। স্মিথে ভোজন বিৰতিৰ ঠিক পূৰ্বে শতৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ মহম্মদ চিৰাজে ইংলেণ্ডৰ আজি পতন হোৱা দুয়োটা উইকেট দখল কৰে।

ooooooooo

সমাপ্ত